**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল এৰেষ্টৰ নামত চলা প্ৰৱঞ্চনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে ভাৰতে সম্প্ৰতি ৮৫ খন দেশলৈ প্ৰতিৰক্ষা আহিলা পাতি ৰপ্তানি কৰিবলৈ লৈছে বুলি উল্লেখ কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিমবংগৰ পেট্ৰাপ'ল ভূ-বন্দৰত যাত্ৰীৰ আগমন-প্ৰস্থান ভৱন আৰু কাৰ্গো গেট উদ্বোধন কৰে।

৪। কেবিনেটে ৰাজ্য চৰকাৰৰ অধীনৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

*আৰু*

৫। ভাৰতৰ চিৰাগ আজি ২৩ বছৰ অনুৰ্ধৰ বিশ্ব মল্লযুঁজ প্ৰতিযোগিতাৰ পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰিষ্টাইল শিতানৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল এৰেষ্টৰ নামত চলা প্ৰৱঞ্চনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ ১১৫ সংখ্যক খণ্ডৰ যোগেদি ৰাষ্ট্ৰক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, ডিজিটেল এৰেষ্টৰ নামত চলা এনে ধৰণৰ প্ৰৱঞ্চনা ৰোধ কৰাৰ বাবে সকলো তদন্তকাৰী সংস্থাই একেলগে কাম কৰি আছে। আইনৰ অধীনত কোনো লোকক ডিজিটেল এৰেষ্ট কৰাৰ কোনো ব্যৱস্থা নাই বুলি তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানত শ্ৰোতাসকলক এনে ঘটনাৰ ভুক্তোভোগী আৰু এগৰাকী প্ৰৱঞ্চকৰ মাজত হোৱা কথোপকথন বজাই শুনায়। কথোপকথনত প্ৰৱঞ্চনাকাৰীয়ে নিজকে আৰক্ষী চিবিআই অথবা মাদক দ্ৰব্য নিবাৰণ শাখাৰ বিষয়া বুলি দাবী কৰিছিল। প্ৰৱঞ্চনাকাৰীয়ে ভুক্তোভোগী লোকৰ ব্যক্তিগত তথ্য আহৰণ কৰি ভয়ৰ বাতাবৰণ সৃষ্টি কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, সকলো শ্ৰেণী আৰু বয়সৰ লোক ডিজিটেল এৰেষ্টৰ বলি হৈছে আৰু ভয়ৰ বাবেই তেওঁলোকে লাখ লাখ টকাৰ লোকচান ভৰিবলগীয়া হৈছে। প্ৰধানমন্ত্ৰীয়ে এনেধৰণৰ প্ৰৱঞ্চনামূলক ফোন লাভ কৰিলে ভিতিগ্ৰস্ত নহবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। তদন্তকাৰী সংস্থাসমূহে ফোন অথবা ভিডিঅ' কলৰ মাধ্যমেৰে কেতিয়াও জেৰা নকৰে বুলি প্ৰধানমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে। শ্ৰীমোদীয়ে ডিজিটেল সুৰক্ষাৰ বাবে ৩ টা উপায়ৰ বিষযে উল্লেখ কৰে। এই উপায়কেইটা হৈছে বন্ধ কৰক, চিন্তা কৰক আৰু ব্যৱস্থা গ্ৰহণ কৰক। তেওঁ লগতে এনে পৰিস্থিতিৰ সন্মুখীন হ'লে শান্ত হৈ থাকিবলৈ আৰু কাৰো সৈতে ব্যক্তিগত তথ্য বিনিময় নকৰিবলৈ জনসাধাৰণৰ প্ৰতি পৰামৰ্শ আগবঢ়ায়। সম্ভৱ হলে এনে মুহুৰ্তৰ স্ক্ৰীন শ্বট লোৱা আৰু কথোপকথন বাণীবদ্ধ কৰা উচিত বুলি

শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ লগতে এনে ঘটনা পৰামৰ্শৰ বাবে ৰাষ্ট্ৰীয় চাইবাৰ হেল্পলাইন নম্বৰ ১৯৩০ ফোন কৰিবলৈ আৰু cybercrime.gov.inত ঘটনাৰ সবিশেষ জনাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। শ্ৰীমোদীয়ে কয় যে, এনে ঘটনাৰ বিষয়ে পৰিয়ালৰ সদস্য তথা আৰক্ষীক জনাব লাগে আৰু সাক্ষ্য প্ৰমাণ সংৰক্ষিত কৰা উচিত। এই ৩ টা পদক্ষেপে সকলোৰে ডিজিটেল সুৰক্ষা সুনিশ্চিত কৰিব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চৰকাৰী সংস্থাসমূহৰ মাজত সমন্বয়ৰ বাবে ৰাষ্ট্ৰয় চাইবাৰ সমন্বয় কেন্দ্ৰ স্থাপন কৰা হৈছে। এনেধৰণৰ প্ৰৱঞ্চনামূলক ভিডিঅ' কলৰ সৈতে জড়িত হাজাৰ হাজাৰ আই ডি সংস্থামসূহে বন্ধ কৰিছে। লাখলাখ চীম কাৰ্ড, মোবাইল ফোন আৰু বেংক একাউণ্টো বন্ধ কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। শ্ৰীমোদীয়ে চাইবাৰ প্ৰৱঞ্চনাৰ বলি হোৱা লোকসকলক তেনে ঘটনাৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। চাইবাৰ প্ৰৱঞ্চনা বিৰোধী অভিযানৰ সৈতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকো জড়িত কৰা উচিত বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। কাইলৈ বিশ্ব এনিমেছন দিৱস উদযাপনৰ বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত এনিমেচন ক্ষেত্ৰত নতুন বিপ্লৱৰ সূচনা কৰাৰ পথত অগ্ৰসৰ হৈছে। লগতে জনসাধাৰণক এনিমেচন ক্ষেত্ৰত গোলকীয় শক্তিৰূপে গঢ়ি তোলাৰ সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ভাৰতত গেমিং ক্ষেত্ৰৰ নিৰন্তৰ বিকাশ হৈছে আৰু ভাৰতীয় গেমসমূহ সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ উঠিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ স্পাইডাৰ মেন আৰু ট্ৰান্সফৰমাৰ্ছৰ দৰে চলচ্চিত্ৰৰ ভাৰতৰ হৰিনাৰায়ণ ৰাজীৱৰ অৱদানৰ বিষয়ে চৰ্চা কৰে। আত্মনিৰ্ভৰ ভাৰত অভিযানৰ সাফল্যক লৈ সন্তুষ্টি প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই অভিযান দেশৰ সমূহীয়া চেতনাৰ অংগ হৈ পৰিছে। তেওঁ কয় যে, আত্মনিৰ্ভৰ হৈ উঠাৰ পাছত ভাৰতে প্ৰতিটো ক্ষেত্ৰতে ভাল প্ৰদৰ্শন আগবঢ়াইছে। এসময়ত বিশ্বত প্ৰতিৰক্ষা আহিলা পাতিৰ সৰ্ববৃহৎ ক্ৰেতাৰূপে পৰিচিত ভাৰত সম্প্ৰতি ৮৫ খন দেশলৈ এনেধৰণৰ আহিলা পাতি ৰপ্তানি কৰিবলৈ লৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত চন্দ্ৰপৃষ্ঠৰ দক্ষিণ মেৰুত অৱতৰণ কৰা বিশ্বৰ প্ৰথমখন দেশৰূপে পৰিগণিত হৈছে। তেওঁ লগতে লাডাখৰ হানলেত এইমাহত এছিয়াৰ সৰ্ববৃহৎ ইমাজিং টেলিস্কোপ এম এ চি ই মুকলি কৰা হৈছে। ভাৰততে নিৰ্মিত এই টেলিস্কোপটো ৪ হাজৰ ৩শ মিটাৰ উচ্চতাত অৱস্থিত বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। শ্ৰীমোদীয়ে শ্ৰোতাসকলক সামাজিক মাধ্যমযোগে উদ্ভাৱন আৰু আত্মনিৰ্ভৰ ভাৰতৰ নিদৰ্শনৰ বিষয়ে অৱগত কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণক উৎসৱৰ এই বতৰত ভোকেল ফৰ লোকেল মন্ত্ৰৰে সামগ্ৰী ক্ৰয় কৰিবলৈ কয়। প্ৰধানমন্ত্ৰীয়ে আজিৰ মন কী বাত অনুষ্ঠানত সাহস আৰু দূৰদৃষ্টি প্ৰতিমুৰ্তিস্বৰূপ চৰ্দাৰ বল্লভ ভাই পেটেল আৰু ভগৱান বীৰচা মুণ্ডাৰ বিষয়ে আলোচনা কৰে। দেশে এইবেলি এই মহান নাগৰিক দুগৰাকীৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপন কৰিব। চৰ্দাৰ পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী ৩১ অক্টোবৰত আৰু ভগৱান বীৰচা মুণ্ডাৰ ডেৰশ বছৰীয়া জয়ন্তী ১৫ নৱেম্বৰত আৰম্ভ হ'ব। এই মহান ব্যক্তি দুগৰাকীয়ে ভিন ভিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল যদিও দেশত একতাই তেওঁলোকৰ সপোন আছিল বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লৌহপুৰুষ চৰ্দাৰ পেটেল সম্পৰ্কে নিজৰ মতামত হেচটেগ চৰ্দাৰ 150 যোগে আৰু ধৰ্তি আৱা বীৰচা মুণ্ডাৰ বিষযে হেচটেগ বীৰচা মুণ্ডা 150 যোগে প্ৰকাশ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। কেলিগ্ৰাফী অৰ্থাৎ হস্তলিপিৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, সম্প্ৰতি জম্মু-কাশ্মীৰত স্থানীয় সংস্কৃতিক জনপ্ৰিয় কৰি তোলাৰ বাবে কেলিগ্ৰাফীৰ সহায় লোৱা হৈছে। এই প্ৰসংগত তেওঁ কেলিগ্ৰাফীৰ ক্ষেত্ৰত বিশেষ দক্ষতা অৰ্জন কৰা অনন্তনাগৰ ফিৰদৌচা বচিৰৰ বিষয়ে উল্লেখ কৰে। তেওঁ কেলিগ্ৰাফীৰ মাধ্যমেৰে স্থানীয় সংস্কৃতিৰ বিভিন্ন দিশ উন্মোচন কৰিবলৈ সমৰ্থ হৈছে। ফীট ইণ্ডিয়া অভিযানৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে দেশৰ জনসাধাৰণ শাৰিৰীক সুস্থতাৰ প্ৰতি অধিক সজাগ হোৱাক

লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে ফীট ইণ্ডিয়াৰ ভাৱনা এতিয়া এট গণ আনন্দোলনত পৰিণত হৈছে। প্ৰধানমন্ত্ৰীয়ে আজিৰ অনুষ্ঠানৰ যোগেদি শ্ৰোতাসকলক ধনতেৰছ, পোহৰৰ উৎসৱ দিপাৱলী, ষট পূজা আৰু গুৰু নানক জয়ন্তীৰ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিমবংগৰ ভাৰত বাংলাদেশ সীমান্তৰ পেট্ৰাপ'ল ভূ-বন্দৰত যাত্ৰীৰ আগমন-প্ৰস্থান ভৱন আৰু মৈত্ৰী দ্বাৰ নামৰ কাৰ্গো গেট উদ্বোধন কৰে। উত্তৰ-২৪ পৰগনা জিলাৰ পেট্ৰাপ'ল ভূ-বন্দৰ দক্ষিণ এচিয়াৰ সৰ্ববৃহৎ ভূ-বন্দৰ আৰু এই বন্দৰটোৱে ভাৰত আৰু বাংলাদেশৰ মাজত বাণিজ্যৰ গুৰুত্বপূৰ্ণ দ্বাৰৰূপে পৰিগণিত হৈছে। ভাৰত আৰু বাংলাদেশৰ মাজৰ স্থল ভাগেৰে হোৱা বাণিজ্যৰ প্ৰায় ৭০ শতাংশ এই ভূ-বন্দৰৰ মাধ্যমেৰে সম্পন্ন হয়। উল্লেখযোগ্য যে পেট্ৰাপ'ল ভূ-বন্দৰ ভাৰতৰ অষ্টম বৃহৎ আন্তঃৰাষ্ট্ৰীয় আব্ৰজন বন্দৰ হোৱাৰ লগতে এই বন্দৰটোৱে ভাৰত আৰু বাংলাদেশৰ মাজত দৈনিক ২০ লাখ যাত্ৰীৰ আহ-যাহৰ সুবিধা প্ৰদান কৰিছে।

মৈত্ৰীদ্বাৰ কাৰ্গো গেট দুয়োখন ৰাষ্ট্ৰৰ সন্মতিৰে স্থাপিত এটা যুটীয়া প্ৰকল্প। যোৱা বছৰ ৯ মে'ত শ্ৰীশ্বাহে এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল। নিশা নতুন দিল্লীলৈ ঘুৰি যোৱাৰ পূৰ্বে তেওঁ কলকাতাৰ ছল্টলেকৰ পূৰ মণ্ডল সংস্কৃতিক কেন্দ্ৰত এটা দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০

গুৱাহাটীৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটে ৰাজ্য চৰকাৰৰ অধীনৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই সিদ্ধান্ত জুলাইৰ পৰা প্ৰযোজ্য হ'ব। অৱশ্যে কৰ্মচাৰীসকলে পহিলা ডিচেম্বৰৰ পৰা বৰ্ধিত হাৰত মৰগীয়া বানচ লাভ কৰিব আৰু বাকী ৪ মাহৰ বাবে কৰ্মচাৰীসকলক ৪ টা কিস্তিত বকেয়া প্ৰদান কৰা হ'ব। কেবিনেটে কমনৱেল্‌থ গেমছ আৰু অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰা ৰাজ্যৰ ধনুৰ্বিদ জয়ন্ত তালুকদাৰক উপ আৰক্ষী অধীক্ষক পদত নিযুক্তি দিয়াৰ প্ৰস্তাৱতো অনুমোদন জনাইছে। একেদৰে কেবিনেটে জীৱন্ত ৰাস উদ্‌যাপন কৰা ধৰ্মীয় অনুষ্ঠানসমূহকো ২৫ হাজাৰ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। একেদৰে ৰাজ্যৰ জীৱাশ্ম ইন্ধনৰ পৰিৱৰ্তে গ্ৰীন অইল বা নেপিয়াৰ ঘাহৰ পৰা তেল প্ৰস্তুতৰ সম্ভাৱনীয়তাৰ অধ্যয়নৰ বাবে ৰিলায়েন্স বায়' এনাৰ্জীৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰাৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন দিছে। কেবিনেটে লগতে চৰকাৰী চিকিৎসালয়ৰ বাবে ঔষধ ক্ৰয়ৰ উদ্দেশ্যে ১৭৫ কোটি টকা আৰু আৰক্ষী বিভাগৰ সামগ্ৰিক উন্নয়নৰ বাবে ৰূপায়ণ কৰি থকা মৈত্ৰী আঁচনিৰ বাবদ ১৫০ কোটি টকা অনুমোদন দিছে।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ তত্বাৱধানত আজি ৰাজ্যৰ চতুৰ্থ বৰ্গৰ মুঠ ৫ হাজাৰ ২৩টা খালী পদৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হৈছে। ৪২টা বিভাগৰ এই পৰীক্ষাত ২৮ খন জিলাৰ এহেজাৰ ৪৮৪টা কেন্দ্ৰত ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছে। দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে পৰীক্ষা ইতিমধ্যে সম্পন্ন হোৱাৰ বিপৰীতে ডেৰ বজাৰ পৰা অষ্টম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হৈছে। প্ৰশিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে উত্তৰ-পূৰ সীমান্ত ৰে'লৱেই কালিৰে পৰা ৰাজ্যত ৫ খন বিশেষ ৰে'লৰ চলাচলৰ ব্যৱস্থা কৰিছে।

ইপিনে এই পৰীক্ষা স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি পুৱাৰে পৰা ইণ্টাৰনেট কৰ্তন কৰা হৈছে। বিয়লি ৪ বজালৈ এই ইণ্টাৰনেট সেৱা বন্ধ ৰখা হ'ব। গৃহ আৰু ৰাজনৈতিক বিভাগৰ হৈ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে এটা বিবৃতিযোগে এই কথা সদৰি কৰাৰ লগতে সকলোকে যুৱপ্ৰজন্মৰ ভৱিষ্যতৰ স্বাৰ্থত সহযোগিতা কৰিবলৈ আহ্বান জনাইছে। চৰকাৰৰ নিৰ্দেশনা ভংগ কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা আৰু ইণ্ডিয়ান টেলিগ্ৰাফ আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত শাস্তি বিহা হ'ব বুলিও বিবৃতিটোত কোৱা হৈছে।

০০০০

স্পেইনৰ ৰাষ্ট্ৰপতি পেড্ৰ' ছানছেজ তেওঁৰ পত্নী বেগোনা গোমেজৰ সৈতে আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ৰাষ্ট্ৰপতিগৰাকীৰ এয়া হ'ব প্ৰথম ভাৰত ভ্ৰমণ। উল্লেখযোগ্য যে ১৮ বছৰৰ পাছত স্পেইনৰ ৰাষ্ট্ৰপতিৰ এয়া হ'ব প্ৰথম ভাৰত ভ্ৰমণ। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি ছানছেছে কেইবাবাৰো আলোচনাত মিলিত হৈছে। স্পেইনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতাই গুজৰাটৰ বড়োদৰাত বিমান পৰিবহণ খণ্ডৰ এটা ধ্বজাবাহী মেক ইন ইণ্ডিয়া উদ্যম- চি-২৯৫ বিমানৰ ফাইনেল এছেম্বল লাইক প্ৰকল্প মুকলি কৰিব। স্পেইনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে মুম্বাইলৈ যাব আৰু তাত তেওঁ আগশাৰীৰ ব্যৱসায়ী আৰু উদ্যোগপতিসকলৰ লগতে  চলচ্চিত্ৰ উদ্যোগৰ সৈতে জড়িত বিভিন্ন ব্যক্তিৰ সৈতে মত বিনিময় কৰিব। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণৰ সময়ত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।

০০০০

ভাৰতৰ চিৰাগে আজি আলবেনিয়াত অনুষ্ঠিত ২৩ বছৰ অনুৰ্ধৰ বিশ্ব মল্লযুঁজ প্ৰতিযোগিতাৰ পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰিষ্টাইল শিতানৰ ফাইনেলত কিৰ্গিস্তানৰ অব্দিমলিক কৰাচোভৰ বিৰুদ্ধে অৱতীৰ্ণ হব। ১৮ বছৰীয়া চিৰাগে কালি চেমিফাইনেলত কাজাখস্তানৰ এলন অ'ৰলবেকক ৮-০ ফলাফলত পৰাস্ত কৰে। এই জয়ৰ সুবাদত চিৰাগ, ৰবি দাহিয়া আৰু অমন চেহৰাবাটৰ পাছত ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত প্ৰৱেশ কৰা তৃতীয়গৰাকী ভাৰতীয় খেলুৱৈৰূপে পৰিগণিত হৈছে।

০০০০

সমাপ্ত